অসম চৰকাৰ

উচ্চ শিক্ষা সঞ্চালকালয়

কাহিলীপাৰা ঃঃঃ গুৱাহাটী - ১৯

# বিজ্ঞপ্তি

ই.চি.এফ .নম্বৰঃ ৬৩৯১৩৮/৪ তাৰিখঃ কাহিলীপাৰা, ২১/০৪/২০২৫

অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ সিদ্ধান্ত অনুসৰি, স্নাতক স্তৰৰ নামভৰ্তিৰ প'ৰ্টেল ২০২৫ চনৰ ১১ এপ্ৰিলৰ পৰা পঞ্জীয়নৰ বাবে সক্ৰিয় কৰা হৈছে। এই সন্দৰ্ভত, গুৱাহাটী বিশ্ববিদ্যালয়ত এক আঞ্চলিক সমৰ্থ সহায়ক আৰু সমন্বয় কেন্দ্ৰ (Regional SAMARTH Support and Coordination Center - RSSCC, Assam) স্থাপন কৰা হৈছে। এই কেন্দ্ৰই অসমৰ উচ্চ শিক্ষা বিভাগৰ অধীনত সেৱা আগবঢ়োৱাৰ লগতে নামভৰ্তিৰ ক্ষেত্ৰত সমৰ্থ প্লেটফৰ্ম ব্যৱহাৰৰ চৰকাৰী নীতিসমূহ কাৰ্যকৰী কৰিব। এই কেন্দ্ৰই ২০২৫-২৬ শিক্ষাবৰ্ষৰ FYUGP/FYIMP/FYUPGP নামভৰ্তি প্ৰক্ৰিয়াত অংশগ্ৰহণকাৰী বিশ্ববিদ্যালয়/ মহাবিদ্যালয়, সমৰ্থৰ কাৰ্যবাহী আৰু উচ্চ শিক্ষা সঞ্চালকালয়ৰ সৈতে সমন্বয়ক কেন্দ্ৰ হিচাপে যোগাযোগ স্থাপন কৰিব।

এই সন্দৰ্ভত, উচ্চ শিক্ষা বিভাগৰ তৰফৰ পৰা তলত উল্লেখ কৰা মানক কাৰ্য পদ্ধতি (SOP) প্ৰস্তুত কৰি দিয়া হৈছেঃ

১. যিহেতু নামভৰ্তি এক বিদ্যায়তনিক আৰু বিশ্ববিদ্যালয়/মহাবিদ্যালয়ৰ অধীনৰ বিষয়, সেয়ে শিক্ষা প্ৰতিষ্ঠানসমূহে ছাত্ৰ-ছাত্ৰীৰ সহায়ৰ বাবে ডিজিটেল নামভৰ্তি প্ৰক্ৰিয়াৰ সুচলতা নিশ্চিত কৰিব। RSSCC, Assam-এ সমৰ্থ টীম, বিশ্ববিদ্যালয়/মহাবিদ্যালয় আৰু উচ্চ শিক্ষা বিভাগৰ সৈতে সক্ৰিয়তাৰে সমন্বয় ৰক্ষা কৰি নীতিসমূহ বলবৎ কৰিব। এই কেন্দ্ৰটোৱে বিশ্ববিদ্যালয়/মহাবিদ্যালয় আৰু নতুন দিল্লীৰ সমৰ্থ টীমৰ সৈতে যোগাযোগৰ বাবে নিৰ্দিষ্ট ই-মেইলঃ rsscc.samarth@gauhati.ac.in ব্যৱহাৰ কৰিব পাৰিব।

২. অসমৰ সমৰ্থ e-Gov সম্পৰ্কীয় সকলো বিষয় বিশ্ববিদ্যালয়/ মহাবিদ্যালয়সমূহে rsscc.samarth@gauhati.ac.inলৈ প্ৰেৰণ কৰি অৱগত কৰিব পাৰিব আৰু ইয়াৰ প্ৰতিলিপি dheofficial.documentation@gmail.comলৈ প্ৰেৰণ কৰিব লাগিব।

৩. নামভৰ্তি প্ৰক্ৰিয়া স্বচ্ছ, সুচল আৰু ত্বৰান্বিতকৰণৰ বাবে চৰকাৰে মূলতঃ নামভৰ্তিৰ ক্ষেত্ৰত সম নীতি প্ৰণয়ন, নামভৰ্তি প্ৰক্ৰিয়াৰ পৰ্যবেক্ষণ আৰু প্ৰয়োজন সাপেক্ষে নিৰ্দেশনা প্ৰদান কৰিব।

৪. RSSCC, Assam- এ সকলো একক আৰু সহযোগী মহাবিদ্যালয় আৰু স্বায়ত্তশাসিত মহাবিদ্যালয়ৰ সমৰ্থ কোষৰ সৈতে FYUGP/FYIMP/FYUPGP নামভৰ্তি সন্দৰ্ভত যোগাযোগ কৰিব আৰু এই সন্দৰ্ভত উচ্চ শিক্ষা বিভাগক অৱগত কৰিব।

৫. সংশ্লিষ্ট বিশ্ববিদ্যালয়ৰ সমৰ্থ কোষে নিজৰ অধীনৰ সহযোগী মহাবিদ্যালয়সমূহৰ সৈতে নামভৰ্তিৰ ক্ষেত্ৰত যোগাযোগ কৰিব আৰু প্ৰয়োজন অনুসৰি তথ্যৰ যোগান ধৰিব।

৬. সঞ্চালক, CDC/ কলেজ পৰিদৰ্শকে বিদ্যায়তনিক আৰু পৰীক্ষা শাখাৰ সৈতে যোগাযোগ কৰি পাঠ্যক্ৰম, বিভাগ আৰু আসনৰ সংখ্যা নিশ্চিত কৰিব যাতে নামভৰ্তিৰ পূৰ্বে সঠিক পাঠ্যক্ৰমৰ নাম, কোড আৰু বিভাগ সন্দৰ্ভত সকলো অৱগত হয়।

৭. অংশগ্ৰহণকাৰী বিশ্ববিদ্যালয়/মহাবিদ্যালয়সমূহে অনুসৰণ কৰিবলগীয়া নামভৰ্তিৰ সম্পূৰ্ণ সময়সূচী উচ্চ শিক্ষা সঞ্চালকালয়ে প্ৰকাশ কৰিব। যিকোনো অভিযোগৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়/মহাবিদ্যালয়/ছাত্ৰ-ছাত্ৰীয়ে dheofficial.documentation@gmail.comত যোগাযোগ কৰিব পাৰিব।

এই বিজ্ঞপ্তি কৰ্তৃত্বশীল কৰ্তৃপক্ষৰ অনুমোদন সাপেক্ষে প্ৰকাশ কৰা হৈছে।

সঞ্চালক, উচ্চ শিক্ষা,
কাহিলীপাৰা, গুৱাহাটী, অসম

স্মাৰকঃ ই চি এফ নম্বৰঃ ৬৩৯১৩৮/১ক তাৰিখঃ কাহিলীপাৰা, ২১/০৪/২০২৫

প্ৰতিলিপিঃ

১. সচিব, উচ্চ শিক্ষা বিভাগ, গুৱাহাটী
২. অসম বিশ্ববিদ্যালয়, সকলো ৰাজ্যিক বিশ্ববিদ্যালয় আৰু বেচৰকাৰী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক
৩. অধ্যাপক সঞ্জীৱ সিং, Principal Investigator, সমৰ্থ e-Gov, নতুন দিল্লী
৪. সকলো স্বায়ত্তশাসিত/ চৰকাৰী / প্ৰাদেশীকৃত / PDUAM / বেচৰকাৰী / চৰকাৰী মডেল কলেজৰ অধ্যক্ষ
৫. মুখ্য সমন্বয়ক / আঞ্চলিক সমৰ্থ সহায়ক আৰু সমন্বয় কেন্দ্ৰ, অসম
৬. ব্যক্তিগত সহায়ক, মাননীয় শিক্ষামন্ত্ৰী, অসম

সঞ্চালক, উচ্চতৰ শিক্ষা,
কাহিলীপাৰা, গুৱাহাটী, অসম

অসম চৰকাৰ

GOVERNMENT OF ASSAM

**GOVT. OF ASSAM**
**DIRECTORATE OF HIGHER EDUCATION**
KAHILIPARA::: GUWAHATI

Ecf No: 639138 Dated, Kahilipara, 21/04/25

## NOTIFICATION

Pursuant to the decision of the Govt. of Assam in Higher Education Department, the UG admission portal has been made live for registration from 11th April, 2025. In this regard, a Regional SAMARTH Support and Coordination Center (RSSCC), Assam, is set-up at Gauhati University, which will function under the control of the Higher Education Department, Assam to execute the policy decisions of the Govt. of Assam in regard to use of Samarth platform for admissions. The RSSCC, Assam, will maintain the formal line of communication related to end-to-end admission cycle of FYUGP/ FYIMP/FYUPGP for the academic session 2025-26 with the participating HEIs in Assam in coordination with the Samarth team, New Delhi and the Director of Higher Education, Govt. of Assam, for a smooth and effective admission process.

In this regard, the Higher Education Department, Assam has worked out the following operational modalities and the Standard Operating Procedures:

1. Since admission is an academic matter and falls within the purview of the Universities and other HEIs, they will hence, manage the admissions in such a way as to assist students in navigating the digital admission process effectively. The RSSCC, Assam, will actively coordinate with the Samarth team, the Higher Education Department and HEIs for effective execution of policy matters. The Center will use a dedicated email: **rsscc.samarth@gauhati.ac.in** for communication with the HEIs and Samarth team, New Delhi.

2. For all matters related to Samarth e-Gov in Assam, all communication from the Universities and Colleges to the Regional SAMARTH Support and Coordination Center, Assam (RSSCC) should be sent to **rsscc.samarth@gauhati.ac.in** with a copy to **dheofficial.documentation@gmail.com** henceforth.

3. The Government will primarily formulate the uniform policies, monitor the admission process and will issue administrative directives/ guidelines from time to time, as deemed necessary, to ensure seamless and smooth conduct of a transparent admission process.

4. The RSSCC, Assam will coordinate with the Samarth cell of all standalone and affiliating Universities and Autonomous Colleges offering FYUGP/FYIMP/FYUPGP admission to the academic session 2025-26 with intimation to Higher Education Department.

5. The Samarth cell of the concerned affiliating Universities will further coordinate with their respective affiliated Colleges for the purpose of admission.

6. The Director, CDC/ Inspector of Colleges of the affiliating Universities will closely coordinate in the admission process with the academic and examination branch regarding active affiliated programmes, active departments and seat matrix, in order to ensure that correct programme name, programme codes and programme structures are pre-configured before commencement of programme selection process.

7. The DHE will notify the uniform timelines for the end-to-end admission cycle to be followed by all participating Higher Educational Institutions. **For any grievances Universities/HEIs/Students will immediately write to DHE at dheofficial.documentation@gmail.com**

**This issues with the approval of the Competent Authority.**

Digitally signed by
POMI BARUAH
Date: 21-04-2025
11:22:43

**Director Higher Education,**

**Kahilipara, Assam**

Memo Ecf No: 639138 -A Dated, Kahilipara- 21/04/25

Copy to:

1. The Secretary, Higher Education Department, Guwahati, Assam - for kind information.

2. The Registrar, Assam University, all State Universities concerned and participating Private Universities of Assam for kind information and necessary action.

3. Prof. Sanjeev Singh, Principal Investigator, Samarth e-Gov, New Delhi for kind information and necessary action.

4.The Principal, all Autonomous /Govt /Provincialized /PDUAM /Private /Venture/Govt. Model Colleges of Assam for kind information and necessary action.

5. The Regional SAMARTH Support and Coordination Center, Assam for kind information and necessary action.

6. The P.S. to Hon’ble Education Minister, Assam for kind appraisal of the Hon'ble Education Minister, Assam.

e-signed/-

**Director Higher Education,**

**Kahilipara, Guwahati, Assam.**